AMAZING FACTS India

# ভাৱবাণীৰ এক সম্পূৰ্ণ দৃশ্য

জীৱন পৰিবৰ্ত্তন কৰা এটা বাইবেল অধ্যয়ণ!

## সেই পশুক উবুৰি হৈ পৰি সেৱা কৰা

দানিয়েল ৩:১-৩০

## কাহিনী...



**ৰজা** নবূখদনেচৰে সঙ্কেত দিছিল, আৰু এক হাজাৰটা বাদ্য-যন্ত্ৰৰ পৰা সঙ্গীত আৰম্ভ হোৱাৰ লগে লগে, পৰ্‌দাখন আতৰাই দিয়াত সূৰ্য্যৰ পোহৰত এটা ৯০ ফুটৰ চিকচিকাই থকা সোনৰ মূৰ্ত্তী চকু ছাটমৰা পোহৰত চিকমিকাই ওলাই পৰিছিল। তেতিয়া ৰজাৰ আদেশ অনুযায়ী, সকলো কাৰ্য্যধ্যক্ষ যিবিলাকে দুৰা নামৰ সমথলক গোট খাইছিল মাটিত উবুৰি হৈ পৰি ভক্তিমন্তৰে সেৱা আৰধনা কৰিছিল। সেই তিনিজন ইব্ৰীয়া যুৱকৰ বাদে বাকী সকলোৱেই সেই মূৰ্ত্তীৰ আগত উবুৰি হৈ পৰি সেৱা কৰিছিল, যি সকল, ৰজাতকৈয়ো আন এজন মহান ৰজাৰ দাস আছিল।

নবূখদনেচৰ গৰ্ব্ব আৰু অহংকাৰ আৰু সন্তুষ্টতাত উফন্দি আছিল- যেতিয়ালৈকে চদ্ৰক, মৈচক আৰু অবেদ-নগোৱে তেওঁৰ মূৰ্ত্তীটোক সাষ্টাঙ্গে প্ৰণিপাত কৰি আৰধনা কৰিবলৈ অমান্তি হোৱা কথাটো তেওঁক জনোৱা হোৱা নাছিল। কোনোবাই অবাধ্য হবলৈ দুঃসাহস কৰাত আচৰিত হৈ, নবূখদনেচৰে ধাৰণা কৰিছিল যে, এইকেইজন যুৱকে নিশ্চয় তেওঁৰ আদেশটোক ভুলকৈ বুজিছে। গতিকে উবুৰি হৈ পৰি সেৱা কৰিবলৈ তেওঁবিলাকক তেওঁ আকৌ এবাৰ এটা সুযোগ প্ৰদান কৰিছিল—কিন্তু তেতিয়াও তেওঁলোকে অমান্তি হৈছিল! এতিয়া ৰজাৰ মুখমন্ডলত স্পষ্টৰূপত খঙৰ ভমক দেখা গৈছিল। তেওঁ তেওঁৰ সৈনিকবিলাকক ওচৰতে থকা প্ৰজ্জ্বলিত অগ্নিকুন্ডৰ উত্তাপ আগতকৈ সাতগুণ বঢ়াবলৈ আদেশ দিছিল। অগ্নিকুন্ডত খৰি দি থকা অৱস্হাতে, এই তিনিজন যুৱকক ৰচীৰে টানকৈ বন্ধা হৈছিল। অগ্নিকুন্ডৰ উত্তাপ ইমানেই অধিক আছিল যে তেওঁবিলাকক অগ্নিকুন্ডৰ মাজলৈ পেলাই দিয়া সৈনিক কেইজন ইয়াৰ উত্তাপত মৃত্যুৰ মুখত পৰিছিল।

ৰজাই প্ৰচন্ড তাপত জ্বলি থকা অগ্নিকুন্ডলৈ চাই থাকোতে, অকস্মাত তেওঁৰ মুখ খন বহলকৈ মেল খাই ৰৈ গৈছিল। ভয়ত কপা মাতেৰে তেওঁ সুধিছিল, “আমি তিনিজন পুৰুষক জানো বান্ধি অগ্নিৰ মাজত পেলোৱা নাই? দানিয়েল ৩:২৪। তেওঁৰ মন্ত্ৰীবিলাকে হয় বুলি কথাতো মানি লৈছিল। “মই চাৰিজন মানুহ দেখিছোঁ; তেওঁবিলাকে মুকলি হৈ জুইৰ মাজত অহা-যোৱা কৰিছে, তেওঁবিলাকে একো দুখ পোৱা নাই; আৰু চতুৰ্থ জনৰ আকৃতি ঈশ্বৰৰ পুত্ৰৰ নিচিনা। দানিয়েল ৩:২৫ kjv।

ঈশ্বৰে সেই সাহসী যুৱক কেইজনক প্ৰজ্বলিত অগ্নিকুন্ডৰ মাজৰ পৰা উদ্ধাৰ কৰিছিল কাৰন তেওঁবিলাকে তেওঁৰ সত্যতাৰ নিমিত্তে থিয় দিছিল। অন্তিম দিনবিলাকত ঈশ্বৰৰ লোকবিলাকেও এনেকুৱা একে পৰীক্ষাৰ সন্মুখীন হব লাগিব।



পাঠ নং-১৯

# অধ্যয়ণ

*তলত দিয়া প্ৰতিটো বাইবেল পদ পঢ়াৰ পাছত খালী ঠাইবোৰ পুৰন কৰক।*

## ১. দানিয়েল ৩ অধ্যায়ত দিয়া আমাৰ কাহিনীটোৰ প্ৰকাশিতবাক্যৰ সৈতে কেনেকৈ সম্পৰ্ক আছে বাৰু?

**প্ৰকাশিতবাক্য ১৩:১৫** *যিমান লোকে সেই পশুৰ* ______________________ ______________________ *নকৰিব, তেওঁবিলাকক যেন বধ কৰিব পাৰে।*

টোকা: অন্তিম দিনবিলাকত, বিবেকৰ বিপৰীতে আকৌ এবাৰ প্ৰণিপাত অৰ্থাত সেৱা উপসনা কৰিবলৈ ঈশ্বৰৰ লোকবিলাকক বলপ্ৰয়োগ কৰা হব নতুবা হত্যা কৰা হব। তেওঁবিলাকে ঈশ্বৰৰ বিধান মানিব নে মানুহৰ বিধান মানিব তাক মনোনীত কৰিব লাগিব।

## ২. প্ৰকাশিতবাক্য ১৪ অধ্যায়ৰ তিনি জন স্বৰ্গদূতৰ বানীবোৰ কি কি?

**প্ৰকাশিতবাক্য ১৪:৭** *ঈশ্বৰক ভয় কৰি, তেওঁৰ গৌৰৱ স্বীকাৰ কৰাহঁক; কিয়নো তেওঁৰ* ______________________ *সময়* ______________________*; আৰু স্বৰ্গ, পৃথিবী, সাগৰ, জলৰ ভুমুকবোৰ, এই সকলোৰে সৃষ্টিকৰ্ত্তাক প্ৰণিপাত কৰাহঁক।*

**প্ৰকাশিতবাক্য ১৪:৮** *পাছে দ্বিতীয় দূত এজনে তেওঁৰ পাছে পাছে ফুৰি কলে, যি বাবিলে নিজ ব্যভিচাৰৰ ক্ৰোধৰূপ দ্ৰাক্ষাৰস সকলো জাতিক পান কৰাইছিল, সেই* ______________________ *পৰিল,* ______________________ *।*

**প্ৰকাশিতবাক্য ১৪:৯, ১০** *কোনোৱে যদি সেই* ______________________ *আৰু তাৰ প্ৰতিমূৰ্ত্তিক* ______________________ *কৰে আৰু নিজৰ কপালত বা হাতত ছাব লয়, তেন্তে ঈশ্বৰৰ কোপৰ পান-পাত্ৰত তেওঁৰ যি ক্ৰোধৰূপ দ্ৰাক্ষাৰস মিহলি নোহোৱাকৈ যুগুতাই ৰখা হৈছে, তাক তেৱোঁ পান কৰিব.।*

টোকা: প্ৰকাশিতবাক্য ১৪:৬-১৪ পদবোৰত বাইবেলে আমাক কৈছে যে অন্তিম দিনবিলাকত, আশা আৰু সতৰ্ক কৰাৰ এই ভয় লগা তিনি খলপীয়া বানী যীচুৰ দ্বিতীয় আগমনৰ নিমিত্তে লোকসমূহক প্ৰস্তুত কৰিবলৈ সমগ্ৰ পৃথিবীৰ প্ৰান্তে প্ৰান্তে গৈ পাব। এই বানীবোৰৰ এটা বানীয়ে সেই পশুক প্ৰণিপাত কৰা আৰু তাৰ ছাব গ্ৰহণ কৰাৰ বিৰুদ্ধে সতৰ্ক কৰিছে। এইটো পাঠত, আমি সেই পশুটোক চিনাক্ত কৰিম। পাঠ নং-২০ত, আমি ইয়াৰ ছাবটোক চিনাক্ত কৰিবলৈ গৈ আছো। স্বয়ং অনন্ত জীৱনেই হয়তো সঙ্কতাপন্ন অৱস্হাত পৰিব পাৰে, গতিকে আপুনি অধ্যয়ণ কৰি গৈ থাকোতে ঈশ্বৰৰ মাৰ্গ-দৰ্শণ আৰু বুজিব পৰা শক্তি পাবলৈ অন্তৰৰ সহিত প্ৰাৰ্থনা কৰিব।

## ৩. বাইবেল ভাৱবানীত এটা পশুৱে (জন্তুৱে) কি সূচায়?

**দানিয়েল ৭:১৭** *এই যি বৃহত* ______________________ *চাইটা আছে, এইবোৰ পৃথিবীত হবলগীয়া চাৰিজন* ______________________ *।*

**দানিয়েল ৭:২৩** *চতুৰ্থ জন্তুটোৱে পৃথিবীৰ এনে চতুৰ্থ* ______________________ *বুজায়।*

**দানিয়েল ৮:২১** *আৰু সেই নোমাল মতা ছাগ যাবনৰ (গ্ৰীচৰ) ____________________ ।*

**টোকা:** বাইবেল ভাৰবানীত, এটা পশু বা জন্তুৱে এখন চৰকাৰ (ৰাষ্ট্ৰ), ৰাজ্য, নাইবা ৰাজনৈতিক ক্ষমতাক সূচায়। ঈশ্বৰে চৰকাৰ বা ৰাষ্ট্ৰৰ সমুহক প্ৰতীক চিহ্নেৰে বুজাবলৈ জন্তুবোৰক ব্যৱহাৰ কৰিছে, যেনেকৈ আমি আজিৰ দিনতো কৰি আছো – এটা ঈগল চৰাই (আমেৰিকা যুক্তৰাষ্ট্ৰ), এটা ভালুক (ৰাছীয়া), ইত্যাদি। বাইবেলত পশু বা জন্তু শব্দটো এটা অসন্মানীয় শব্দ নহয়। ই পশুৰ চৰিত্ৰক নুবুজায়। যি পশুটোৰ ছাব আছে তাক প্ৰকাশিতবাক্য ১৩:১-১০, ১৫-১৮ পদবোৰত বৰ্ণনা কৰা হৈছে। অনুগ্ৰহ কৰি ৪ নম্বৰ প্ৰশ্নটোলৈ যোৱাৰ আগতে এই পদবোৰ মনোযোগেৰে পঢ়িব।

## ৪. বাইবেলে সেই পশুটোক কেনেকৈ চিনাক্তকৰন কৰিছে?

**প্ৰকাশিতবাক্য ১৩:১** *পাছে মই সাগৰৰ পৰা এটা ____________________ উঠা দেখিলোঁ তাৰ দহোটা শিং, সাতোটা মুৰ আছিল, তাৰ শিঙত দহোটা কিৰীটি, আৰু তাৰ মুৰত ঈশ্বৰ-নিন্দাসুচক নাম কিছুমান আছিল।*

**টোকা:** প্ৰকাশিতবাক্য ১৩:১-১০, ১৫-১৮ পদবোৰত, ঈশ্বৰে আমাক সেই পশুটোক চিনাক্ত কৰাত সহায় কৰিবলৈ ১০টা ক্লু বা প্ৰমান দিছে। তেওঁ আমাক গুণাগুন বা চৰিত্ৰৰ এখন দীঘল তালিকা প্ৰদান কৰিছে যাতে আমি সেই পশুটোৰ চিনাক্ত কৰাত সম্পূৰ্ণভাৱে নিশ্চিত হব পাৰোঁ।

পইন্ট ১- সাগৰৰ পৰা উঠি আহিছে (১ পদ)
পইন্ট ২- ইয়াৰ ক্ষমতা, সিংহাসন, আৰু একতিয়াৰক নাগৰ পৰা লাভ কৰিছে (২ পদ)
পইট ৩- এটা বিশ্ব শক্তিত পৰিগণিত হৈছে (৩, ৭ পদ)
পইন্ট ৪- ঈশ্বৰ নিন্দাকৰা দোষত জগৰীয়া (১, ৫, ৬ পদ)
পইন্ট ৫- ৪২ ভাৰবানীয় মাহ শাসন কৰিছে (৫ পদ)
পইন্ট ৬- এটা মৃত্যুজনক ঘা পাইছে যি শেষত সুস্হ হৈ উঠিছে (৩ পদ)
পইন্ট ৭- এটা ধৰ্মীয় শক্তি যি সেৱা আৰধনা লাভ কৰে (৪,৮ পদ)
পইন্ট ৮- ঈশ্বৰৰ ধাৰ্ম্মিক সাধু সন্ত সকলক তাড়ণা কৰে (৭ পদ)
পইন্ট ৯- ইয়াৰ এটা ৰহস্যময় নম্বৰ ৬৬৬ আছে (১৮ পদ)
পইন্ট ১০- এজন সৰ্ব্বপ্ৰধান মানুহৰ দ্বাৰাই চালিত (১৮ পদ)

এই ১০টা চিনাক্তকৰনৰ যি চিন বা প্ৰমান আটাই কেইটাই মাত্ৰ এটা ক্ষমতাত মিল খায়-সেইটো হৈছে পোপীয় ব্যৱস্হা। কিন্তু নিশ্চিত হবলৈ আমি, ৫ নং প্ৰশ্নৰ পৰা আমি সেইবোৰৰ এটা সময়ত এটাকৈ অতি সাৱধানতাৰে চাই গৈ থাকিম।

## ৫. এই পশুটো সাগৰৰ পৰা উঠি আহিছে। সাগৰ বা পানীয়ে কি বুজায় বাৰু?

**প্ৰকাশিতবাক্য ১৭:১৫** *তুমি যি অনেক ____________________ দেখিলা, অৰ্থাক যত সেই বেশ্যা বহি আছে, সেই পানীবোৰেই অনেক ____________________, লোকসমুহ, জাতিবিলাক, আৰু ভাষাৰ লোকবিলাক।*

**টোকা:** ভানবানীত, পানীয়ে অগণন মানুহৰ বৃহত সমাগম, বা ঘন জন-বসতিপূৰ্ণ অঞ্চলক সূচায়। ভাৰবানীয়ে ভৱিষ্যতবানী কৰিছিল যে সেই পশুটো সেই সময়ৰ জগত বিখ্যাত প্ৰতিষ্ঠিত ৰাজ্যৰ মাজৰ পৰা উঠি আহিব। পোপীয়তা পশ্চিম ইউৰোপত উত্থান হৈছিল, গতিকে ই পইন্ট ১ ৰ লগত মিল খায়। কিন্তু আন ৯টা চিনাক্তকৰনৰ পইন্টবোৰ কি কি?

## ৬. সেই পশুটোক কোনে ক্ষমতা আৰু পদ প্ৰদান কৰিছে?

**প্ৰকাশিতবাক্য ১৩:২** ____________________ *নিজ* ____________________, *নিজ* ____________________ *আৰু মহা-ক্ষমতা তাক দিলে।*

**টোকা:** যি পশুটোৰ এটা ছাব আছে তাক আমি এৰাই চলিবই লাগিব-ই ইয়াৰ ক্ষমতা, একতিয়াৰ, আৰু ৰাজধানী নগৰখনক নাগৰ পৰা লাভ কৰিছিল। প্ৰকাশিতবাক্য ১২:৩-৫ পদবোৰৰ মতে, সেই নাগে সেই শক্তি আছিল যিয়ে শিশু যীচুক তেওঁৰ জন্মৰ সময়তে হত্যা কৰিবলৈ চেষ্টা কৰিছিল। সেইটো চয়তানেই আছিল যিয়ে পৌত্তলিক ৰোমান সাম্ৰাজ্যৰ অধীনৰ, এজন ৰজা হেৰোদক বৈথলেহেমৰ নতুনকৈ জন্মা সকলো লৰা সন্তানক হত্যা কৰিবলৈ প্ৰৰোচিত কৰিছিল (মথি ২:১৩, ১৬)। পৌত্তলিক ৰোমে তাইৰ একতিয়াৰ আৰু ৰাজধানী নগৰ কাক প্ৰদান কৰিছিল? বুৰন্জী অতি স্পষ্ট যে পৌত্তলিক ৰোমে ইয়াৰ ক্ষমতা ৰাজধানী নগৰখনক ৰোমান মন্ডলিটোক প্ৰদান কৰিছিল। তলত দিয়া ঐতিহাসিক উদ্ধৃতিটো দৃষ্টান্তস্বৰূপঃ “ৰোমান মন্ডলিটোৱে ... নিজকে ৰোমৰ বিশ্ব-সাম্ৰাজ্যৰ স্হানত ঠেলি নিছিল ... যিটো ইয়াৰ আচল ধাৰাবাহিকতা ... যি জন পোপে নিজকে “ৰজা” আৰু “পন্টিফেক্স মেক্সিমাছ” বুলি কৈ লৈছিল, তেওঁ হৈছে কৈচৰৰ (Caesar) উত্তৰাধিকাৰী” [Adolph Harnack, What is Christianity? (New York: Putnam, second edition, revised, 1901) p.270]। গতিকে পইন্ট ২ একেদৰে পোপীয়তাৰ লগত মিল খায়।

## ৭. সেই পশুটোৰ প্ৰভাৱ কিমান দূৰলৈকে বিয়পি যায় বাৰু?

**প্ৰকাশিতবাক্য ১৩:৩** ____________________ ____________________ *সেই পশুৰ কথাত আচৰিত মানিলে।*

**টোকা:** মধ্যযুগৰ কালচোৱাত,বাস্তবিকতে পোপীয়তা এটা বিশ্বশক্তি আছিল বুলি কোৱাত কোনেও ইয়াৰ ওপৰত প্ৰশ্ন নকৰিব। আচলতে, “কেথলিক” শব্দটোৰ অৰ্থ হৈছে “বিশ্বজনীন”। আমি দেখিলো যে ৩ নম্বৰ পইন্টটোও পোপীয়তাৰ লগত মিল খাইছে।

## ৮. সেই পশুটোৰ মুখৰ পৰা কি ওলাইছে?

**প্ৰকাশিতবাক্য ১৩:৬** *তাতে সি নিজ মুখ মেলি, ঈশ্বৰৰ বিৰুদ্ধে* ____________________ *বাক্যেৰে, তেওঁৰ নাম, আৰু তেওঁৰ বাস-স্হান, অৰ্থাত স্বৰ্গ-নিবাসী সকলোকে* ____________________ *কৰিবলৈ ধৰিলে।*

**টোকা:** মানুহে যেতিয়া পাপ ক্ষমা কৰিব পাৰে বুলি দাবী কৰে (লূক ৫:২১) আৰু নিজকে ঈশ্বৰ বুলি কৈ লয় (যোহন ১০:৩৩)তেতিয়া তেনে কাৰ্য্যক বাইবেলে ঈশ্বৰ নিন্দা কৰা কাৰ্য্য বুলি কৈছে। পোপীয়তাই পাপ ক্ষমা কৰিব পৰা ক্ষমতা আছে বুলি সজোৰে দাবী কৰে। এটা কেথলিক কেটেকেজিমৰ পৰা তুলি দিয়া দফা টোলৈ মন কৰকঃ “পুৰোহিতে সচাকৈয়ে পাপ ক্ষমা কৰে নে, নতুবা তেওঁ মাত্ৰ পাপবোৰ ৰেহাই দিয়া হল বুলি ঘোষণা কৰে? পুৰোহিতে, খ্ৰীষ্টৰ দ্বাৰাই তেওঁক প্ৰদান কৰা ক্ষমতাৰ জোৰত প্ৰকৃতপক্ষে আৰু ন্যায্যমতে পাপ ক্ষমা কৰে” [Joseph Deharbe, S.I, A Complete Catechism of the Catholic Religion (New York: Schwartz,Kirwin & Fauss, 1924) p,279]। পোপীয়তাই এইবুলিও দাবী কৰে যে পোপ হেনো ঈশ্বৰৰ সমান। পোপ লিউ ১৩ য়ে কৈছিল, “আমি (পোপ সকলে) এই পৃথিবীত সৰ্ব্বশক্তিমান ঈশ্বৰৰ স্হানত বিৰাজমান হৈ আছো” [Christopher Marcellus, Oration in the Fifth Lateran Council, Session IV (1512), manuscript SC, Vol.32,col.761 (Latin)। পোপৰ বিষয়ে ইয়াত আন এটা উচপ খুওৱা উক্তি আগবঢ়োৱা হলঃ “পৃথিবীত আপুনি আন এজন ঈশ্বৰ” [Pope Leo XIII, Encyclical Letter “The Reunion of Christendom,” dated June 20, 1894, trans, in The Great Encyclical Letters of Pope Leo XIII ( New York: Benziger, 1903) p,304.]। গতিকে ৪ নম্বৰ পইন্টটোও পোপীয়তাৰ লগত মিল খায়।

## ৯. প্ৰথম পশুটোৱে কিমান কাল শাসন কৰিবলগীয়া আছিল?

**প্ৰকাশিতবাক্য ১৩:৫** _____________________ *কাৰ্য্য কৰিবলৈ তাক ক্ষমতা দিয়া হল।*

**টোকা:** মনত পেলাওক যে ভাৱবানীত, ভাৱবানীয় এটা দিন এক বছৰৰ সমান (যিহিস্কেল ৪:৬)। এই সময়চোৰাক ভাৱবানীত বাৰে বাৰে চাৰে তিনি বছৰ, ৪২ মাহ নাইবা ১২৬০ দিন বুলি উল্লেখ কৰি থকা হৈছে। যিহুদীবিলাকৰ দ্বাৰাই ব্যৱহৃত ৩০ দিনীয়া কেলেন্ডাৰৰ আধাৰত গণনা কৰিলে এই তিনিটাৰ ক্ষেত্ৰতেই সময়ৰ মুঠ পৰিমান হয় ১২৬০ ভাৱবানীয় দিন নাইবা ১২৬০ আক্ষৰিক বছৰ। পোপীয় ৰোমৰ বিশ্বজনীন ক্ষমতা অফিচিয়েল হৈছিল ৫৩৮ খ্ৰীষ্টাব্দত, যেতিয়া সম্ৰাট জাষ্টিনিয়ানৰ আদেশে পোপীয়তাক সৰ্ব্বপ্ৰধান কৰাত আৰু কোনো বাধা প্ৰদান কৰা নাছিল। পোপীয়তাই ১৭৯৮ চনত এটা মৃত্যুজনক ঘা (আঘাত) পাইছিল যেতিয়া পোপ নিপোলিয়ানৰ সেনাপতি আলেকজেন্ডাৰ বাৰ্থিয়াৰৰ হাতত বন্দী হবলগীয়া হৈছিল। আপুনি লক্ষ্য কৰিব যে ৫৩৮ খ্ৰীষ্টাব্দৰ পৰা ১৭৯৮ চনৰ মাজৰ কালচোৰাৰ সময়ৰ পৰিমান হৈছে ১২৬০ বছৰ। ৫ নম্বৰ পইন্টটোও পোপীয়তাত খাটে।

## ১০. ৪২ মাহৰ পাছত সেই পশুটোৰ কি হৈছিল?

**প্ৰকাশিতবাক্য ১৩:৩** *পাছে তাৰ মূৰবোৰৰ এটা,* _____________________ _____________________ *যেন দেখিলোঁ; কিন্তু সেই মৃত্যুজনক ঘা সুস্হ কৰা হলত, গোটেই জগতখনেই সেই পশুৰ কথাত আচৰিত মানিলে।*

**টোকা:** ইতিমধ্যে যেনেকৈ উল্লেখ কৰা হল, পোপীয়তাই ১৭৯৮ চনত মৰাকৈ মৃত্যুজনক আঘাত পাইছিল যেতিয়া সেনাপতি বাৰ্থিয়াৰে পোপক ফ্ৰান্সলৈ নি বন্দীশালত ৰাখিছিন, যত বন্দী অৱস্হাতে তেওঁ মৃত্যুবৰণ কৰিছিল [Joseph Rickaby, "The Modern Papacy," Lecture on the History of Religion, (London: Catholic Truth Society,1910), Vol,3, Lecture 24,p.1]। ইউৰোপৰ আধা ভাগেই ভাবিছিল যে এইটো ঘটনাই পোপীয়তা অন্ত পৰাৰ ইঙ্গিত দিছে, কিন্তু ঈশ্বৰে কৈছিল যে এই মৃত্যুজনক ঘা সুস্হ হৈ উঠিব আৰু পোপীয়তাৰ ক্ষমতা পুনৰুদ্ধাৰ কৰা হব যেতিয়ালৈকে সমগ্ৰ পৃথিবীয়ে তাইৰ পৰিচালনাত পৰিচালিত নহয়। মালাখি মাৰ্টিন, ভেটিকানৰ সকলোবোৰ ভিতৰুৱা কথা জনা এজন বিশিষ্ট লোকে "দ্যা কি অফ দিচ ব্লাড" নামৰ তেওঁৰ কিতাপখনত তলত দিয়া কথাখিনি প্ৰকাশ কৰিছেঃ "২০ শতিকাৰ আতাইতকৈ উত্তমভাৱে জনাজাত ব্যক্তি গৰাকী হৈছে পোপ (পৃষ্ঠা ১২৩), ৯১ খন দেশৰ লীডাৰবিলাকৰ সৈতে ব্যক্তিগত সম্পৰ্ক গঢ়ি ললে (৪৯০ পৃষ্ঠা), আৰু এতিয়া বিশ্ব-ব্যাপি শাসন কৰিবলৈ প্ৰস্তুত হৈছে (১৪৩ পৃষ্ঠা)" [Malachi Martin, The Keys of This Blood ( New York: Simon & Schuster, 1990)। এনেকি এজন নতুন শিকাৰুৱেও চিনি পাব যে পৃথিবীত আজি বহুতো ক্ষেত্ৰতেই পোপীয়তা আটাইতকৈ অধিক প্ৰভাৱশালী ক্ষমতা। আৰু পোপৰ প্ৰতিটো ভ্ৰমনে, তেওঁৰ ক্ষমতা আৰু প্ৰভাৱক বৃদ্ধি কৰি গৈ আছে। ঈশ্বৰে যেনেকৈ ভৱিষ্যবানী কৰিছিল- ঠিক তেনেকৈ বিশ্বব্যাপী থকা অযুত নিযুত লোকবিলাকে পৃথিবীৰ ঐক্যতা, শান্তি, সম্প্ৰতি আৰু সভ্যগুণৰ বাবে একমাত্ৰ আশাৰ থল হিচাপে পোপীয়তাৰ মুখলৈকে চাই আছে। পোপীয়তাৰ ক্ষেত্ৰত ৬ নম্বৰ পইন্টটো স্পষ্টকৈ মিলে।

## ১১. সেই পশুটো এটা ধৰ্ম্মীয় ক্ষমতা নেকি?

**প্ৰকাশিতবাক্য ১৩:১৫** *যিমান লোকে সেই পশুৰ প্ৰতিমূৰ্ত্তিক* _____________________ *নকৰিব, তেওঁলোকক যেন বধ কৰিব পাৰে।*

**টোকা:** এইটো অতি স্পষ্ট যে এই সংস্হাটো আত্মিক বিষয় বিলাকতো জৰীত হৈ আছে। "প্ৰণিপাত" শব্দটোক এই ক্ষমতাৰ সংক্ৰান্তত প্ৰকাশিতবাক্য ১৩ অধ্যায়ত পাচঁবাৰকৈ ব্যৱহাৰ কৰা হৈছে। ৭ নম্বৰ পইন্টটো যে পোপীয়তাত খাটিছে তাত, নিশ্চয়কৈ কোনোৱেও সন্দেশ নকৰিব।

## ১২. সেই পশুটোৱে ধাৰ্ম্মিক সাধু সন্তবিলাকক কি কৰে?

**প্ৰকাশিতবাক্য ১৩:৭** *আৰু পবিত্ৰ লোকে সৈতে* ____________________ *কৰি, তেওঁবিলাকক* ____________________ *কৰিবলৈ তাক শক্তি দিয়া হল।*

**টোকা:** এইটো সকলোৱে জনা কথা যে পোপীয়তাই ধৰ্ম্মজ্ঞান থকা বিবেকী খ্ৰীষ্টিয়ান বিলাকক তাড়ণা কৰিছিল আৰু হত্যা কৰিছিল, বিশেষকৈ মধ্যযুগৰ কালচোৱা আছিল ইয়াৰ আধিপত্যৰ শীৰ্ষ অৱস্থাৰ সময়। বহুতো বুৰন্জীবিদ সকলে কয় যে ৫০ মিলিয়নতকৈ অধিকলোকে তেওঁবিলাকৰ বিশ্বাসৰ নিমিত্তে এই মহা তাড়ণাৰ কালচোৱাত প্ৰাণ হেৰুৱাইছিল। দেখদেখকৈ মন্ডলিটোৱে হয়তো ভাৱিছিল যে “স্থাপিত ধৰ্ম্মৰ বিৰোধী মত”ৰ সেই লোকবিলাকক নিঃশেষ কৰাৰ দ্বাৰাই তেওঁবিলাকে ঈশ্বৰৰ এটা প্ৰিয় কামহে কৰিছে। পোপে মতপোষণ কৰিছে যে মন্ডলিটোৱে ইয়াৰ অন্যায় অত্যাচাৰ কৰা কাৰ্য্যৰ বাবে ক্ষমা পাব, কিন্তু সত্য কথাটো এইদৰেই ৰৈ গল যে ই তাড়ণা কৰিছিল আৰু ধ্বংশ কৰিছিল। পোপীয়ত ৮ নম্বৰ পইন্টটোৰ লগতো মিল খায়।

## ১৩. সেই পশুটোক চিনাক্ত কৰা ৰহস্যময় নম্বৰটো কি বাৰু?

**প্ৰকাশিতবাক্য ১৩:১৮** *কিয়নো সেয়ে মানুহৰো নম্বৰ আৰু সেই নম্বৰ* ____________________ *।*

**টোকা:** প্ৰকাশিতবাক্য ১৩:১৮ পদত, ঈশ্বৰে সেই পশুৰ নামটোৰ সংখ্যা গণনা কৰিবলৈ কৈছে আৰু সেইটো এজন মানুহৰো নম্বৰ হয়। আমি যেতিয়া পোপীয়তাৰ কথা ভাৱো, আমি স্বাভাৱিকতে ভৰা মানুহ জন হৈছে পোপ। তেওঁৰ নামটো কি বাৰু? পোপৰ অফিচিয়েল উপাধি বা টাইটল এটা হৈছে “ভাইকাৰ অফ দ্যা চান অফ গড” [Vicar of the Son of God], যিটোক লেটিনত (মন্ডলিটোৰ অফিচিয়েল ভাষা) কোৱা হয় “ভাইকাৰিয়াচ ফাইলী ডি” [Vicarious Filli Dei]। খবৰ কাগজৰ ৰচনা-প্ৰৱন্ধ সমুহত যেতিয়া পোপক “ভাইকাৰ অফ খ্ৰাইষ্ট” [Vicar of Christ] বুলি দেখুওৱা হয়, প্ৰায়েই সেইবোৰ যে তেওঁৰ উপাধি বা নামৰ এটা অনুবাদ তাক দেখুওৱাবলৈ সেই শব্দবোৰৰ উদ্ধৃতিটো সন্নিৱিষ্ট কৰা হয়। প্ৰকাশিতবাক্য পুস্তকখনে কৈ আছে যে তেওঁৰ নামৰ আখৰ সমুহৰ ৰোমান সাংখ্যিক মান বোৰৰ মুঠ সংখ্যা হৈছে ৬৬৬ ৰ সমান। আহক আমি চাওহক ৯ আৰু ১০ পইন্ট দুটা পোপীয়তাৰ লগত মিল খায় নে নাখায়।

| | | | | | | |
|---|---|---|---|---|---|---|
| V | ৫ | F | ০ | D | ৫০০ | **মুঠ** |
| I | ১ | I | ১ | E | ০ | ১১২ |
| C | ১০০ | L | ৫০ | I | ১ | ৫৩ |
| A | 0 | I | ১ | | ৫০১ | ৫০১ |
| R | ০ | I | ১ | | | ৬৬৬ |
| I | ১ | | ৫৩ | | | |
| U | ৫ | | | | | |
| S | 0 | | | | | |
| | ১১২ | | | | | |

ইয়াত কোনো সন্দেহ থাকি যোৱা উচিত নহয়। প্ৰকাশিতবাক্য ১৩:১-৮, ১৫-১৮ পদবোৰত বৰ্ণনা কৰা পোপীয়তাৰ লগত মিল খোৱা আটাই দহোটা গুণাগুণ আৰু চৰিত্ৰবোৰক আমি দেখুৱালোঁ। আৰু এই ক্ষমতাটোৰ এটা বিশেষ চিন বা ছাব আছে যাক আমি লাভ কৰিবলৈ দুঃসাহস কৰিব নোৱাৰো।

এতিয়া অনুগ্ৰহ কৰি মন কৰিব যে ৰোমান কেথলিক মন্ডলিত বহুতো ঈশ্বৰ-ভক্ত মৰম লগা খ্ৰীষ্টিয়ান সকল আছে যি সকলক ঈশ্বৰে নিজৰ সন্তান-সন্ততি বুলি গণ্য কৰে। তাত বহুতো কৃপালু, দয়াশীল আৰু সাহিয়াল পোপবিলাকো আছে যিবিলাকে ঈশ্বক প্ৰেম কৰে। এই পাঠটি আমাৰ কেথলিক বন্ধুসকলৰ ওপৰত আক্ৰমন কৰিবলৈ নহয়। এইটো চয়তানৰ ওপৰত কৰা এটা আক্ৰমনহে, যি জনে মন্ডলিবিলাকক প্ৰলোভন দি শাস্ত্ৰ্যবাক্যৰ সত্যতাৰ পৰা আতৰাই আনে। যিয়েই নহওক স্বয়ং ঈশ্বৰে আমাক কৈছে যে এই অনুষ্ঠানটোৰ এটা চিন বা ছাব আছে যাক আমি লাভ কৰিবলৈ দুঃসাহস নকৰোঁ। সৰল প্ৰটেষ্টান্ট, কেথলিক, যিহুদী আৰু অখ্ৰীষ্টিয়ান সকলোৱেই এই চিন বা ছাবটোনো কি তাক আৱিস্কাৰ কৰিবলৈ খুবেই আগ্ৰহী যাতে তেওঁবিলাকে ইয়াক লাভ কৰাৰ পৰা আতৰি থাকিব পাৰে। আহক আমি ঈশ্বৰক ধন্যবাদ দিওঁহক, কিয়নো তেওঁৰ বাক্যত আমাক সকলোকে ধ্বংশ কৰিবলৈ কৰা চয়তানৰ কুতচিত পৰিকল্পনাটোক তেওঁ উদঙাই দিলে।

আমাৰ ইয়াৰ পিছৰ পাঠটোত, আমি পশুৰ চিন বা ছাবটোক স্পষ্টকৈ চিনাক্ত কৰিম। যদি আপুনি পশুৰ সেই ছাবটো পায়, আপুনি হেৰাই যাব। বহুতেই আৱিস্কাৰ কৰিব যে সেই ছাবটোক এৰাই চলিবলৈ হলে এখন ভয়ঙ্কৰ যুদ্ধত অৱতীৰ্ণ হব লাগিব। কিন্তু ঈশ্বৰে আমাক সেই চদ্ৰক, মৈচক আৰু অবেদ-নগোৰ দৰে বিশ্বাস দিব, যি সকলে ঈশ্বৰক শ্ৰদ্ধা-ভক্তি দিবলৈ মৃত্যুৰ সন্মুখীন হবলৈকো ইচ্ছুক আছিল।

# আপোনাৰ সহাৰি

*যীচুৱে আপোনাক যলৈকে চলাই নিয়ে তলৈকে যাবলৈ আপুনি বাৰু ইচ্ছা কৰিব নে, এনেকি আপুনি আপোনাৰ বন্ধু-বান্ধবী হেৰুৱাব লগীয়া হলেও?*

***উত্তৰ:*** ____________________


©2024 Amazing Facts India
All Rights Reserved Printed in India
**+91 916 916 4480 | AFTV.in**
অধিক উত্থানশীল, জীৱন পৰিৱৰ্তনকাৰী সম্পদৰ বাবে পৰিদৰ্শন কৰক **Bookstore.AFTV.in** ASSAMESE